প্ৰেছ বাৰ্তা

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ**

# প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ বিয়োগত মন্ত্ৰী নৱ কুমাৰ দলেৰ শোক প্ৰকাশ

**গুৱাহাটী ২৩ নৱেম্বৰ ঃ** অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্ষীয়ান ৰাজনীতিবিদ তৰুণ গগৈৰ বিয়োগত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত তেওঁ কয় যে এগৰাকী বিশিষ্ট ৰাজনীতিবিদ হিচাপে গগৈদেৱে সাংসদ আৰু কেন্দ্ৰীয় মন্ত্ৰী হিচাপে সমগ্ৰ দেশৰ বাবে অৱদান আগবঢ়োৱাৰ উপৰি একেৰাহে তিনিটা কাৰ্যকালৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাপে ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰতো বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। অসমৰ ৰাজনীতি আৰু সমাজ জীৱনলৈ তেখেতৰ এই অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰি তেখেতৰ আদৰ্শ সকলোৰে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব বুলি মন্ত্ৰীগৰাকীয়ে লগতে কয়।

মন্ত্ৰীগৰাকীয়ে প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

*এম আৰ ডি/২৩-১১-২০২০*